অধ্যায় ৯ পর্যৱেক্ষণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ পর্যৱেক্ষণঃ অর্থ, সংজ্ঞা আৰু প্রকাৰ

৯.৩.১ অংশগ্রহণকাৰী পর্যৱেক্ষণ

৯.৩.২ অংশগ্রহণ বর্হিভূত পর্যৱেক্ষণঃ সুবিধা আৰু অসুবিধাসমূহ

৯.৩.৩ অংশগ্রহণকাৰী আৰু অংশগ্রহণ বর্হিভূত পর্যৱেক্ষণঃসাদৃশ্য আৰু বৈসাদৃশ্য

৯.৪ আমি কি শিকিলোঁ

৯.৫ অধিক জানিবলৈ

৯.৬ অগ্রগতিৰ খতিয়ান

৯.৭ আর্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি-

- গুণগত গৱেষণাৰ পদ্ধতিৰূপে পর্যৱেক্ষণৰ বিষয়ে বুজিব পাৰিব
- দুই প্রকাৰৰ পর্যৱেক্ষণৰ অর্থ, উদ্দেশ্য, সুবিধা আৰু অসুবিধাসমূহ বুজিব পাৰিব
- গুণগত গৱেষণাৰ পদ্ধতিৰূপে অংশগ্রহণকাৰী আৰু অংশগ্রহণ বর্হিভূত পর্যৱেক্ষণৰ গুৰুত্ব আৰু দুয়োটাৰে মাজৰ পার্থক্য বুজিব পাৰিব।

৯.২ পৰিচয়

উদ্যোগীকৰণৰ ফলত অহা ব্যাপক সামাজিক পৰিৱর্তনৰ ফলতে ১৯ শতিকাত ইউৰোপত প্রথম সমাজতত্ত্ব প্রচলন হৈছিল। এই সামাজিক পৰিৱর্তনবোৰৰ মাজতে বৌদ্ধিক দিশতো পৰিৱর্তন আহিছিল আৰু পূর্বতকৈ বিজ্ঞানৰ স্থান উচ্চ হৈছিল। বিজ্ঞানে বস্তুগত জ্ঞান আহৰণত সহায় কৰি মানৱ সমাজৰ সমস্যা সমাধানেৰে মানুহক পূর্বতকৈ অধিক উৎপাদনমুখী কৰি তুলিছিল। সেইবাবে পুৰণি সময়ৰ বহু সমাজতত্ত্ববিদে বিজ্ঞানক গৱেষণাৰ পদ্ধতিৰূপে গ্রহণ কৰিছিল যাতে ইয়াৰ ওপৰত তেওঁলোকে নিজৰ বিষয়বস্তুৰ ভেঁটি গঢ়িব পাৰে। অৱশ্যে সকলো সমাজতত্ত্ববিদে প্রাকৃতিক বিজ্ঞানক পদ্ধতিৰূপে গ্রহণ কৰিব নোৱাৰিছিল, কাৰণ প্রাকৃতিক বিশ্বৰ অধ্যয়নতকৈ মানৱ আচৰনৰ পর্যৱেক্ষণ বহু জটিল। সেইবাবে সমাজতত্ত্ববিদসকলে অধিক মানৱীয় আৰু গুণগত পদ্ধতি গ্রহণ কৰাত গুৰুত্ব আৰোপ কৰিছিল। সামাজিক প্রাণীৰূপে মানুহে বহিঃজগতৰ উদ্দীপকৰ প্রতি কেৱল প্রতিক্রিয়া প্রকাশ নকৰে, তেওঁলোকে নির্দিষ্ট আচৰণ প্রদর্শন কৰে। সেইবাবে এই সামাজিক আচৰণসমূহ পৃথিৱীৰ লেবৰেটৰীতহে অধ্যয়ন কৰাৰ

প্রয়োজনীয়তা আছে। গতিকে সমাজ বিজ্ঞানৰ গৱেষণাত গুণগত তথ্য আহৰণৰ ক্ষেত্ৰত দুই প্ৰকাৰৰ পর্যবেক্ষণেই গুৰুত্বপূৰ্ণ পদ্ধতি।

৯.৩ পর্যবেক্ষণঃ অর্থ, সংজ্ঞা আৰু প্ৰকাৰ

সমাজ বিজ্ঞানৰ অধ্যয়নত পর্যবেক্ষণে পোণপটীয়াকৈ তথ্য সংগ্ৰহৰ এনে এক পদ্ধতি বুজায় য'ত তথ্য পর্যবেক্ষণৰ দ্বাৰা সংগ্ৰহ কৰা হয়। মার্চেল আৰু ৰছমেনৰ (১৯৮৯)ৰ মতে পর্যবেক্ষণ হৈছে 'অধ্যয়নৰ বাবে নির্বাচন কৰা সামাজিক পৃষ্ঠভূমিত পৰিঘটনা, আচৰণ আৰু হস্তনির্মিত সামগ্ৰীৰ পদ্ধতিগত বর্ণনা'। ইয়াৰ সহায়ত গৱেষকে নিজৰ পঞ্চ ইন্দ্ৰিয়ৰে সাম্প্ৰতিক পৰিস্থিতিৰ বর্ণনা কৰে আৰু এনেকৈয়ে পৰিস্থিতিৰ এক 'লিখিত আলোকচিত্ৰ' পোৱা যায়। (Erlandson et al 1993)।

পর্যবেক্ষণ সংৰচিত আৰু অসংৰচিত দুই প্ৰকাৰৰে হ'ব পাৰে। এক সংৰচিত পর্যবেক্ষণত পূৰ্ব নির্ধাৰিত সূচী আৰু নির্দিষ্ট চলক থাকে। অসংৰচিত পর্যবেক্ষণত অধ্যয়নৰ বিষয়বস্তু অথবা তথ্য আহৰণ কৰিবলগীয়া ক্ষেত্ৰৰ প্ৰতি অধিক মুক্ত দৃষ্টিভংগী গ্ৰহণ কৰা হয়।

গৱেষকৰ বাবে বিভিন্ন সময়ত পর্যবেক্ষণ উপযোগী বিবেচিত হৈ আহিছে। পর্যবেক্ষণে গৱেষকক কোনো পূৰ্ব নির্ধাৰিত ধাৰণা নথকাকৈ পৰিসীমাৰ বাহিৰত সূত্ৰ বুজাত সহায় কৰে। সাক্ষাৎকাৰ অথবা আলোচনাৰ সময়ত সাক্ষাৎকাৰদাতাই বহু কথা প্ৰকাশ কৰাত অসমর্থ হয়। ইয়াৰোপৰি তেওঁলোকে কেতবোৰ দিশত অধিক গুৰুত্ব প্ৰদান কৰাৰ প্ৰৱণতা থাকে, লগতে কি কথা নোকোৱাকৈ বৈ গ'ল তাৰ প্ৰতিও চকু ফুৰাবলগীয়া হয়। উদাহৰণস্বৰূপে সাক্ষাৎকাৰদাতাই মৌখিকভাৱে প্ৰকাশ কৰিব নোৱাৰা অনুভূতি, আৱেগ অথবা মুকলিকৈ প্ৰকাশ কৰিব নোৱাৰা কেতবোৰ কার্যক্ৰমণিকা, অথবা কোনে কাৰ লগত মত বিনিময় কৰি আছে. অথবা বিভিন্ন কার্যাৱলীত কিমান সময় অতিবাহিত কৰা হৈছে, কেনে ধৰনৰ কাম চলি আছে আদি বিভিন্ন দিশ। (Schmuk 1997)

পর্যবেক্ষণৰ বাবে পর্যবেক্ষকে নির্বাচিত সামাজিক পটভূমি অথবা পৰিস্থিতিত দীঘলীয়া সময় অতিবাহিত কৰিবলগীয়া হয়। ইয়াত একেটা সামাজিক পটভূমিত গৱেষকে একে তথ্য বাৰে বাৰে পর্যবেক্ষণ কৰি ৰেকর্ড কৰিবলগীয়া হয়। প্ৰতিটো পর্যবেক্ষণৰ ক্ষেত্ৰত তথ্য ভালদৰে পর্যবেক্ষণ কৰা আৰু ৰেকর্ড কৰাটো সংগৃহীত তথ্যৰ বৈধতা ৰক্ষাৰ লগতে ইয়াৰ পৰা যুক্তিসংগত আৰু বস্তুগত ফলাফলত উপনীত হোৱাৰ বাবে জৰুৰী।

পর্যবেক্ষণৰ ক্ষেত্ৰত পর্যবেক্ষকে নিজৰ সুবিধা অনুযায়ী স্থান বা সামাজিক পটভূমি নির্বাচন কৰিলে তেওঁ ক্ষেত্ৰখনৰ এক স্পষ্ট ছবি সমমর্মিতাৰে প্ৰত্যক্ষ কৰিব পাৰে। অৱশ্যে প্ৰাকৃতিক পৰিৱেশত প্ৰাকৃতিক আচৰণৰ অধ্যয়নে গৱেষকক নিজৰ ধৰণে তথ্যৰ ব্যাখ্যা কৰাৰ সুযোগ প্ৰদান কৰে। ইয়াৰোপৰি গৱেষকে ক্ষেত্ৰখনত একেবাৰে চালুকীয়া অৱস্থাত প্ৰৱেশ কৰাৰো সুযোগ লাভ কৰে। এইবোৰ কাৰণতে পর্যবেক্ষণক গুণগত গৱেষণাৰ ক্ষেত্ৰত তথ্য সংগ্ৰহৰ এক উপযোগী আহিলাৰূপে বিবেচনা কৰা হয়।

পর্যবেক্ষণ মূলতঃ দুই প্রকাৰৰ-অংশগ্রহণকাৰী পর্যবেক্ষণ আৰু অংশগ্রহণ বর্হিভূত পর্যবেক্ষণ।

৯.৩.১ অংশগ্রহণকাৰী পর্যবেক্ষণ

গুণগত গৱেষণাত তথ্য সংগ্রহৰ এক বিস্তৃতৰূপত ব্যৱহৃত পদ্ধতি হৈছে অংশগ্রহণকাৰী পর্যবেক্ষণ। ব্রনিছল' মালিন'স্কিয়ে (১৮৮৪-১৯৪২) ট্রব্রিয়ান্ড দ্বীপৰ বাসিন্দাসকলৰ মাজত প্রচলিত সম্পর্ক, বিবাহ আৰু পৰিয়ালকেন্দ্রিক জীৱনৰ নৃতাত্বিক গৱেষণাৰ ক্ষেত্রত এই সংজ্ঞা প্রথমবাৰলৈ ব্যৱহাৰ কৰিছিল। এম এন শ্রীনিৱাসে লিখিছে যে অংশগ্রহণকাৰী পর্যবেক্ষণত ক্ষেত্রকর্মীজনে নিজৰ সমাজৰ পৰা পৃথক এখন সমাজত স্থানীয় ভাষা ব্যৱহাৰ কৰি , স্থানীয় ৰাইজৰ উৎসৱ-পার্বন আৰু আন কার্যক্রমণিকাত অংশগ্রহণ কৰি নির্দিষ্ট এখন সমাজত বহু মাহ বা বছৰ কটাবলগীয়া হয়। এনেধৰণে আনৰ উৎসৱ-পার্বনত অংশ লৈ আৰু প্রত্যক্ষ পর্যবেক্ষণৰ সময়ত গৱেষকে যিমান পাৰে সিমান তথ্য আহৰণ কৰিবলগীয়া হয়। গৱেষণাৰ অধীনস্থ লোকসকলৰ সৈতে ভাল সম্পর্ক গঢ়ি গৱেষকে অধ্যয়ন কৰিব বিচৰা সংস্কৃতিৰ প্রতিটো দিশৰ তথ্য সংগ্রহ কৰে। এনেদৰে এক সামগ্রিক ছবি লাভ কৰি অৱশেষত গৱেষকে সংস্কৃতিৰ কার্যক্রমণিকাৰ বিষয়ে জ্ঞান অর্জন কৰে।

ডেমনক আৰু চব'ৰ মতে (১৯৯৮) ক্ষেত্রভিত্তিক অধ্যয়নত সমাজতত্ত্ববিদ আৰু নৃতত্ববিদসকলে ব্যৱহাৰ কৰা প্রাথমিক পদ্ধতিটোৱে হৈছে অংশগ্রহণকাৰী পর্যবেক্ষণ। ক্ষেত্রভিত্তিক কার্যৰ বাবে 'সক্রিয় দৃষ্টি, উন্নত স্মৃতিশক্তি, অনানুষ্ঠানিক সাক্ষাৎকাৰ, বিস্তৃত ক্ষেত্র টোকা লিখা আৰু সবাতোকৈ গুৰুত্বপূর্ণ ধৈর্যৰ প্রয়োজন। অংশগ্রহণকাৰী পর্যবেক্ষণ হৈছে এনে প্রক্রিয়া যিয়ে পর্যবেক্ষণ আৰু অংশগ্রহণৰ মাধ্যমত গৱেষকক প্রাকৃতিক পটভূমিত নির্দিষ্ট ব্যক্তিসকলৰ আচৰণৰ বিষয়ে জানিবলৈ সুযোগ প্রদান কৰে। (ডিৱাল্ট আৰু ডিৱাল্ট ২০০১)

বার্নার্ডে (১৯৯৪) অংশগ্রহণকাৰী পর্যবেক্ষণক নির্দিষ্ট সমূদায়ৰ ভিতৰত সম্পর্ক স্থাপনৰ প্রক্রিয়াৰূপে বর্ণনা কৰে। তদুপৰি ইয়াত এনেদৰে আচৰণ কৰিবলৈ শিকোৱা হয় যে সমূদায়ে গৱেষকৰ সৈতে আত্মীয়তা অনুভৱ কৰি স্বাভাৱিকভাৱে আচৰণ কৰাৰ সুযোগ লাভ কৰে, এনেসময়তে গৱেষকে সমূদায়টোৰ পৰা নিজকে বিচ্ছিন্ন কৰি পৰিস্থিতিৰ সামগ্রিক অধ্যয়নেৰে তথ্য আহৰণ কৰিবলৈ চেষ্টা কৰা উচিত। ইয়াত গৱেষকে পর্যবেক্ষণৰ বাহিৰেও পৰিস্থিতি বুজি ব্যৱহাৰৰ চেষ্টা কৰা প্রয়োজন। উদাহৰণস্বৰূপে অংশগ্রহণকাৰী পর্যবেক্ষণত গৱেষকে প্রয়োজনসাপেক্ষে বিভিন্ন অনুষ্ঠান আৰু আন দৈনন্দিন কার্যক্রমণিকাত স্বাভাৱিকভাৱে মত বিনিময়ত অংশ লোৱা উচিত। এনে কৰিলে গৱেষকে সমূদায়ৰ উৎসৱ-পার্বনৰ বিষয়ে আন কোনোপ্রকাৰে সম্ভৱ নোহোৱা প্রাথমিক জ্ঞান আহৰণ কৰিব পাৰিব।

অংশগ্রহণকাৰী পর্যবেক্ষণৰ অন্যতম বৈশিষ্ট্য হৈছে এয়া মুক্ত, স্বতঃসিদ্ধ

ধাৰণাবিহীন। ইয়াৰ ফলত গৱেষকে আনৰ বিষয়ে ভালদৰে জনাৰ সুযোগ লাভ কৰে। নিজে সন্মুখীন হোৱা সংস্কৃতিৰ বৈচিত্র্যতাৰ বিষয়েও অৱগত হোৱাৰ সুযোগ লাভ কৰে গৱেষকে। আটাইতকৈ গুৰুত্বপূর্ণ কথাটো হ'ল ইয়াত ভুল হোৱাৰ সম্ভাৱনা থাকিলেও বাৰম্বাৰ পর্যবেক্ষণৰ ফলত এইবোৰ শুদ্ধ কৰাৰ থল থাকে। এজন ভাল গৱেষক, এজন ধৈর্যশীল শ্রোতা আৰু শিকাৰু, অবাঞ্ছিত পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে পৰিস্থিতি বুজি আচৰণ কৰাৰ ক্ষমতা হৈছে এজন ভাল গৱেষকৰ গুণ। (Dewalt and Dewalt 1998)

➢ **অংশগ্রহণকাৰী পর্যবেক্ষণৰ সুবিধাসমূহ**

তথ্য সংগ্রহৰ আহিলাৰূপে অংশগ্রহণকাৰী পর্যবেক্ষণৰ তলত উল্লেখ কৰা সুবিধাসমূহ আছে-

❍ **প্রাকৃতিক পটভূমিত পর্যবেক্ষণ ঃ** অংশগ্রহণকাৰী পর্যবেক্ষণৰ আটাইতকৈ ডাঙৰ সুবিধাটো হৈছে ইয়াত গৱেষকে প্রাকৃতিক পৰিৱেশত ব্যক্তিবিশেষৰ অধ্যয়নৰ সুযোগ লাভ কৰে। ইয়াৰ অর্থ হৈছে ইয়াত ব্যক্তিবিশেষ নিজে গৱেষকৰ কার্যালয়লৈ নাহে বৰঞ্চ ইয়াত গৱেষকে ব্যক্তিবিশেষৰ কাষলৈ গৈ নিদিষ্ট সময়সীমাৰ ভিতৰত তেওঁলোকৰ সৈতে বন্ধুত্ব গঢ়ি তথ্য আহৰণ কৰে। ইয়াৰ দ্বাৰা বক্তিবিশেষে যিকোনো অপ্রীতিকৰ পৰিস্থিতি, অসহজ ভাৱৰ লগতে অচিনাকী ব্যক্তিৰ সৈতে কথা-বতৰা পতাৰ পৰা ৰক্ষা পৰে। ইয়াৰ ফলত সংগৃহীত তথ্য অধিক নিৰপেক্ষ আৰু শুদ্ধ হোৱাৰ সম্ভাৱনা থাকে।

❍ **ব্যক্তিবিশেষৰ সৈতে নিকট সম্পর্ক ঃ** ব্যক্তিবিশেষৰ সৈতে ভাল সম্পর্ক ৰক্ষা কৰা কার্যই গৱেষকক তেওঁলোকৰ জীৱনৰ গুৰুত্বপূর্ণ ঘটনাপ্রৱাহৰ বিষয়ে জনাত সহায় কৰে। ইয়াৰোপৰি গৱেষকে ইয়াত ঘটনাপ্রৱাহৰ গুৰুত্ব অধিক ভালদৰে, সংবেদনশীলতাৰে বিশ্লেষণ কৰাৰ সুবিধা লাভ কৰে কাৰণ তেওঁ নিজে ঘটনাপ্রৱাহৰ সৈতে জৰিত হৈ প্রাথমিক তথ্য আহৰণৰ সুযোগ পায়। নিজে প্রত্যক্ষভাৱে ব্যক্তিবিশেষৰ মুখেৰে ঘটনাপ্রৱাহৰ গুৰুত্ব অনুধাৱন কৰাৰ সুযোগ কেৱল এই পদ্ধতিৰেহে লাভ কৰিব পাৰি।

❍ **বৈধতা আৰু অর্ন্তদৃষ্টি ঃ** অংশগ্রহণকাৰী পর্যবেক্ষণৰ দ্বাৰা যথেষ্ট পৰিমাণে গুণগত তথ্য আহৰণ কৰিব পাৰি। ইয়াৰ জৰিয়তে গৱেষকে সমাজৰ বাস্তৱিক ছবি এখন গৱেষকে লাভ কৰাৰ সুবিধা লাভ কৰে। এই পদ্ধতিৰে নির্দিষ্ট পৰিস্থিতিত ব্যক্তিসকলে কেনেদৰে আচৰণ প্রকাশ কৰে আৰু প্রতিক্রিয়া দেখুৱায় সেয়া জানিব পৰা হোৱাৰ বাবে বৈধ ক্রমিক তথ্যৰ আশা কৰিব পাৰি। ব্যক্তিবিশেষৰ সৈতে ব্যক্তিগত সম্পর্কই গৱেষকক নিজৰ গৱেষণাৰ সৈতে অধিক ওতঃপ্রোতভাৱে জৰিতৰ সুযোগ দিয়ে। মুখামুখি মত বিনিময়ত সংগৃহীত তথ্যভাণ্ডাৰ সমৃদ্ধ হয়। নিজা মূল্যবোধ, বিচাৰ-বুদ্ধি আৰু স্বতঃসিদ্ধ ধাৰণাৰ উর্ধত গৈ গৱেষকে মূল্যবোধ, বিশ্বমুখী দৃষ্টি আৰু ব্যক্তিবিশেষৰ মনৰ ভাৱ জনাৰ সুযোগ লাভ কৰে।

❍ **নমনীয়তা ঃ** অসংৰচিত প্রকৃতিৰ লগতে প্রজ্ঞাভিত্তিক এই গৱেষণা পদ্ধতিত গৱেষকে নির্দিষ্ট নিয়ম-নীতি চেৰাই বিভিন্ন ধাৰণাৰে সংপৃক্ত হৈ তথ্য আহৰণৰ দিশে আগবাঢ়ে।

ইয়াৰোপৰি ক্ষেত্ৰৰ স্বতঃসিদ্ধ প্ৰকৃতিৰ বাবে গৱেষকে সময়-সুযোগ বুজি কাম কৰাৰ সুবিধা লাভ কৰে। ইয়াৰ ফলত সাধাৰণ পৰিৱেশত আশা কৰিব নোৱাৰা উত্তৰ এই পদ্ধতিৰে আহৰণ কৰিব পাৰি।

এইসমূহৰ লগতে অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ পদ্ধতিৰ আন কেতবোৰ সুবিধাও আছে। উদাহৰণস্বৰূপে গৱেষকে ইয়াত সামাজিকভাৱে বৰ্জিত অথবা সহজে সাক্ষাৎ কৰিব নোৱাৰা ব্যক্তিৰ সৈতেও মত বিনিময়ৰ সুযোগ লাভ কৰে। কিন্তু এয়া কেৱল সম্ভৱ যদিহে গৱেষকে সাক্ষাৎকাৰদাতাৰ বিশ্বাস জয় কৰিবলৈ সক্ষম হয়। অংশগ্ৰহণকাৰী পৰ্যবেক্ষণে এনেধৰনৰ প্ৰাথমিক তথ্য আহৰণৰ বাট মুকলি কৰি ৰাখে। এনেকৈয়ে সঠিক আৰু বিস্তৃত ৰূপত তথ্য সন্মুখলৈ আহে।

➢ **অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ অসুবিধাসমূহ**

গুণগত গৱেষণাৰ পদ্ধতিৰূপে নিজস্ব কেতবোৰ সুবিধা থাকিলেও অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ কেতবোৰ অসুবিধাও আছে।

❍ **সময় খৰছী অনুশীলন ঃ** অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ আটাইতকৈ সাধাৰণ অসুবিধা হৈছে ইয়াত বহুত সময়ৰ প্ৰয়োজন হোৱাটো। ব্যক্তিবিশেষৰ সৈতে ভাল সময় অতিবাহিত কৰিবলগীয়া হোৱাৰ বাবে ইয়াত যথেষ্ট সময়ৰ প্ৰয়োজন। তথ্য আহৰণৰ উদ্দেশ্যৰে ব্যক্তিবিশেষৰ সৈতে অধিক সময় কটোৱাৰ সমান্তৰালকৈ তেওঁলোকৰ বিশ্বাস ভংগ নোহোৱালৈও চকু দিবলগীয়া হোৱাৰ বাবে এই কাৰ্য যথেষ্ট দুৰূহ হৈ পৰে। ধৈর্যও আন এটা দিশ কাৰণ বাৰে বাৰে একেবোৰ তথ্যক লৈ মত বিনিময় কৰিবলগীয়া হোৱাটো বিৰক্তিকৰ হ'ব পাৰে।

❍ **উদ্দেশ্যবিহীনতা ঃ** বেছিভাগ সময়তে গৱেষকে এক নিৰ্দিষ্ট উদ্দেশ্য আগত লৈ ব্যক্তিবিশেষৰ সৈতে সম্পৰ্ক গঢ়ি তোলাটো এক কঠিন কাম হ'ব পাৰে। আৱেগিক বান্ধোন আৰু নৈতিক পক্ষপাতিত্বই সংগৃহীত তথ্যত কুপ্ৰভাৱ পেলাব পাৰে। ইয়াৰোপৰি গৱেষকে ব্যক্তিসকলৰ মাজতে সুকীয়া সমূহ গঠনৰ মানসিকতাৰ বলি হোৱাৰো আশংকা থাকে আৰু এনেকৈ নিৰপেক্ষ তথ্য আহৰণত অসুবিধা হয়। দীঘলীয়া সময় ওতঃপ্ৰোতঃ সম্পৰ্ক ৰক্ষাৰ ফলত গৱেষকে কেতবোৰ গুৰুত্বপূৰ্ণ দিশ আওকাণ কৰাৰ আশংকা থাকে।

❍ **তথ্য লিপিৱদ্ধ কৰাত অসুবিধা ঃ** শাৰীৰিক আৰু মানসিকভাৱে এটা কামত নিয়োগ হৈ থকাৰ বাবে অংশগ্ৰহণকাৰী পৰ্যবেক্ষণত দৃষ্টিগোচৰ হোৱা তথ্য নথিভুক্ত কৰাৰ ক্ষেত্ৰত অসুবিধাৰ উন্মেষ হ'ব পাৰে। বহুসময়ত সাধাৰণ কথা-বতৰাৰ মাজত ব্যক্তিবিশেষে প্ৰদান কৰা গুৰুত্বপূৰ্ণ তথ্য লিপিৱদ্ধ কৰাত গৱেষকজন অক্ষম হৈ পৰে। ইয়াৰোপৰি গোপনীয়তা আৰু নৈতিকতাৰ চিন্তা-চৰ্চাও এক দৃষ্টিগোচৰ কৰিবলগীয়া বিষয় হ'ব পাৰে। বহুসময়ত ব্যক্তিয়ে নিজৰ তথ্য ৰাজহুৱা কৰাত অসন্মতি প্ৰকাশ কৰে। এনে পৰিস্থিতিত গৱেষকে মত বিনিময়ৰ সময়ত লাভ কৰা তথ্য পৰৱৰ্তী সময়ত ব্যৱহাৰ

কৰিবলৈ স্মৃতিশক্তিৰ ওপৰত গভীৰভাৱে নিৰ্ভৰ কৰিবলগীয়া হয়। এইসমূহৰ ওপৰিউ গৱেষণাত নীতিগত দিশলৈ গুৰুত্ব প্ৰদান কৰি গৱেষকজন টোকা লিখোতে সৎ হৈ থাকিব লাগে।

- **প্ৰতিনিধিত্বৰ সমস্যা ঃ** অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ সাধাৰণতে সৰু আৰু সীমিত পৰিসৰৰ গোট বা সমূদায়ক লৈ কৰা গৱেষণা পদ্ধতি। গভীৰ জ্ঞান অৰ্জনৰ বাবে গৱেষকে অধিকসংখ্যক সাক্ষাৎকাৰদাতাৰ সৈতে কথা-বতৰা পাতি তেওঁলোকৰ সৈতে সু-সম্পৰ্ক গঢ়িব লাগিব। অৱশ্যে ইয়াত প্ৰতিনিধিত্বৰ কথাও আহি পৰে, কাৰণ অধ্যয়ন কৰা মূল্যবোধ, দৃষ্টিভংগী, মত, পৰিঘটনা বা সাধাৰণ অৰ্থত সমূদায়ৰ সামাজিক জীৱনে সাৰ্বিক অৰ্থত এক বৃহৎ বা বিশ্বজনীন সংস্কৃতিক ফুটাই তুলিব নোৱাৰিবও পাৰে।

৯.৩.২ অংশগ্ৰহণ বৰ্হিভূত পৰ্যবেক্ষণ

অংশগ্ৰহণ বৰ্হিভূত পৰ্যবেক্ষণ হৈছে গৱেষণাৰ এনে এক পদ্ধতি য'ত গৱেষকে কেৱল এজন পৰ্যবেক্ষকৰ ভূমিকা গ্ৰহণ কৰে। অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ বিপৰীতে ইয়াত গৱেষকে ব্যক্তিবিশেষৰ জ্ঞানৰ আধাৰতে তেওঁলোকক অধ্যয়ন কৰে। জে পেট্ৰিক উইলিয়াম (২০০৮) য়ে অংশগ্ৰহণকাৰী পৰ্যবেক্ষণৰ সলনি অংশগ্ৰহণ বৰ্হিভূত পৰ্যবেক্ষণ গৱেষকে বাছি লোৱাৰ কেইবাটাও কাৰণ ব্যক্ত কৰিছে। প্ৰথমে এটা নিৰ্দিষ্ট সমূহৰ সৈতেহে সম্পৰ্ক। উদাহৰণস্বৰূপে সাম্প্ৰদায়িক সংঘৰ্ষজৰ্জৰ এলেকাত অংশগ্ৰহণকাৰী পৰ্যবেক্ষণ বিপজ্জনক হ'ব পাৰে আৰু পৰিঘটনাৰ আকস্মিকতাৰ বাবে এই পদ্ধতি বহুসময়ত গ্ৰহণ কৰাটো সম্ভৱ নহয়গৈ। এনে সময়ত বিষয়ৰ তথ্য আহৰণ কৰিবলৈ অংশগ্ৰহণ বৰ্হিভূত পদ্ধতি গ্ৰহণ কৰা হয়। ইয়াৰ ভিতৰত বাতৰি সংস্থাবোৰে প্ৰকাশ কৰা ভিডিঅ' বা পুস্তিকা, অথবা সেই সময়ত ৰেকৰ্ড কৰা শ্ৰব্য বা দৃশ্য-শ্ৰব্য তথ্য আদিৰ সহায় ল'ব পাৰি। দ্বিতীয়তে গৱেষকে এটা নিৰ্দিষ্ট বিষয় বাছনি কৰিলেও সেই বিষয়ত অংশগ্ৰহণকাৰী পৰ্যবেক্ষক হোৱাত অক্ষম হয়। উদাহৰণস্বৰূপে গৱেষকে যদি দেখুৱাব বিচাৰে যে ৰাজহুৱা স্থানত অভিভাৱকে নিজৰ সন্তানৰ সৈতে কেনেদৰে আচৰণ কৰে অথবা কোনো ক্ৰীড়াত এজন ক্ৰীড়াবিদে কেনে অভিজ্ঞতাৰ সন্মুখীন হ'ব পাৰে। এনেক্ষেত্ৰত গৱেষকজন নিজে এজন অভিভাৱক অথবা ক্ৰীড়াবিদ নহবও পাৰে। সেই পৰিস্থিতিত গৱেষকজনে নিৰ্দিষ্ট পটভূমিত উপস্থিত থাকি ব্যক্তিবিশেষৰ সৈতে পোণপটীয়াকৈ মত বিনিময় নকৰি সমগ্ৰ ঘটনাৱলী কেৱল পৰ্যবেক্ষণ কৰিব পাৰে। তৃতীয়তে গৱেষকজন ব্যক্তিগত মত বিনিময়ৰ সামগ্ৰিকতাৰ পৰিৱৰ্তে এক নিৰ্দিষ্ট সামাজিক প্ৰেক্ষাপটত সামাজিক আচৰণৰ শৈলী নিৰ্ধাৰণ কৰাত অধিক আগ্ৰহী হ'ব পাৰে। ইয়াৰ এটা উদাহৰণস্বৰূপে আমি ছচিয়েল মিডিয়াৰ কথা ক'ব পাৰো। ছচিয়েল মিডিয়াত অনলাইন মত বিনিময় প্ৰত্যক্ষ কৰি বৰ্তমানৰ সামাজিক শৈলী অধ্যয়ন কৰাৰ অথবা গণ মানসিকতা অধ্যয়ন কৰাৰ সুযোগ লাভ কৰিব পাৰি। এনে অধ্যয়নত নিজে তেনে মত বিনিময়ত অংশগ্ৰহণ কৰাৰ প্ৰয়োজন নাথাকে।

গতিকে এক অংশগ্রহণ বর্হিভূত পর্যবেক্ষণত গবেষকে অধ্যয়ন কৰিবলগীয়া সমূহৰ কার্যক্রমনিকাত নিজে প্রত্যক্ষভাৱে অংশ নলয়। ইয়াৰ অর্থ হৈছে কোনো পৰিঘটনাত এয়া এক নিষ্ক্রিয় অংশগ্রহণ য'ত গবেষকে নির্দিষ্ট পৰিস্থিতিত যি হৈ আছে তাত কেৱল দর্শকৰ ভূমিকাহে পালন কৰে। লগতে ইয়াত বিস্তৃত জ্ঞান অর্জন কৰাটো এক দুৰূহ কাম কাৰণ গবেষকে ইয়াত নিজে অংশগ্রহণ নকৰাৰ বাবে জ্ঞানৰ গভীৰতালৈ প্রবেশ কৰিব নোৱাৰে। অংশগ্রহণকাৰী পর্যবেক্ষণৰ দৰেই অংশগ্রহণ বর্হিভূত পর্যবেক্ষণৰো নিজা সুবিধা আৰু অসুবিধা আছে। তলত ইয়াৰ কেতবোৰ আলোচনা কৰা হ'ল-

➢ **অংশগ্রহণ বর্হিভূত পর্যবেক্ষণৰ সুবিধাসমূহ**

❍ **লক্ষ্যপ্রণোদিত আৰু নিৰপেক্ষ ঃ** কোনো পৰিস্থিতিত অংশ নোলোৱাৰ বাবে গবেষকে সমগ্র বিষয়ক লৈ এক নিৰপেক্ষ দৃষ্টিভংগী ৰাখে আৰু ইয়াৰ ফলত সুনির্দিষ্ট লক্ষ্যৰে গবেষণাৰ ফলাফললৈ আগবাঢ়িব পাৰি। কোনো ধৰনৰ পক্ষৰ প্রভাৱ নপৰাৰ বাবে গবেষকে এক বস্তুগত দৃষ্টিভংগী ল'বলৈ সুবিধা লাভ কৰে। সক্রিয় অংশগ্রহণৰ ধামখুমীয়াত দৃষ্টিত নপৰাকৈ থকাৰ আশংকা থকা দিশো ইয়াত চকুৰ আগত থাকে।

❍ **সঠিক বিশ্লেষণ ঃ** অংশগ্রহণ বর্হিভূত পর্যবেক্ষণে গবেষকক অধিক সাৱধানতাৰে সমগ্র বিষয়ত চকু দিয়াত সহায় কৰে। ইয়াৰদ্বাৰা গবেষণাত লাভ কৰা তথ্য অধিক শুদ্ধ হয়। গবেষকে এক নির্দিষ্ট দূৰত্বৰ পৰা বিশ্লেষণ কৰাৰ সুযোগ লাভ কৰাৰ ওপৰিউ পৰিঘটনাৰ গুৰুত্ব আৰু বৈশিষ্ট্য ভালদৰে বুজি উঠিব পাৰে। অংশগ্রহণৰ চাঁপ নথকাৰ বাবে নিশ্চিন্তমতে ঘটনাৱলীৰ বিশ্লেষণত সুবিধা লাভ কৰে গবেষকে। ফলাফলৰ তথ্যত অতিৰঞ্জন অথবা সমমর্মিতা আৰু আৱেগৰ প্রচ্ছায়া নপৰে।

❍ **অবাঞ্ছিত পৰিস্থিতিৰ পৰা দূৰত্ব ঃ** অংশগ্রহণ বর্হিভূত পর্যবেক্ষণে গবেষকক যিকোনো বিপদজনক পৰিস্থিতি আৰু অবাঞ্ছিত গ্রুপিজিমৰ চিকাৰ হোৱাৰ পৰা ৰক্ষা কৰে। কোনো পক্ষ নোলোৱাকৈ এক নিৰপেক্ষ পর্যবেক্ষক হৈ থকা কার্যই নিৰপেক্ষ আৰু সঠিক তথ্য আহৰণ বাট মুকলি কৰে।

❍ **নৈতিকতাৰ বিবাদৰ পৰা মুক্তি ঃ** অংশগ্রহণ বর্হিভূত পর্যবেক্ষণত নৈতিক দিশৰ প্রতি সজাগ হৈ থাকিব নালাগে। ইয়াত ব্যক্তিবিশেষৰ সমূহে গবেষকৰ উপস্থিতিৰ বিষয়ে জ্ঞাত হোৱাৰ বাবে তেওঁ নিজকে লুকুৱাই অথবা আত্মগোপন কৰি থকাৰ প্রশ্নই নাহে। এই কার্যৰ ফলত গবেষকে নিজৰ তথ্যৰ ওপৰত মনোযোগ দিব পাৰে।

➢ **অংশগ্রহণ বর্হিভূত পর্যবেক্ষণৰ অসুবিধাসমূহ**

❍ **সামগ্রিকতাৰ অভাৱ ঃ** যিকোনো সামাজিক প্রেক্ষাপটত অংশগ্রহণ বর্হিভূত পর্যবেক্ষণে বিষয়বস্তুৰ এক সামান্য আভাসহে দিবলৈ সক্ষম হয়। সাক্ষাৎকাৰদাতাৰ সৈতে মত বিনিময় নকৰাৰ বাবে গবেষকে বিষয়টোৰ সামগ্রিক আৰু সমমর্মিতাৰে পূর্ণ এক ছবি লাভ কৰাত ব্যর্থ হয়। ইয়াৰ ফলত তথ্যৰ লগতে অধ্যয়নৰ ব্যক্তিবিশেষৰ ভুল ব্যাখ্যা

হোৱাৰ আশংকা থাকে।

- **পর্যবেক্ষণৰ ত্রুটী ঃ** অংশগ্রহণ বর্হিভূত পর্যবেক্ষণত পর্যবেক্ষণ প্রায়ে এটা নির্দিষ্ট ক্ষেত্রতহে হয় উদাহৰণস্বৰূপে গৱেষকে ইয়াত কেৱল চকুৰ সন্মুখত ঘটি থকা ঘটনাহে লক্ষ্য কৰে। সাক্ষাৎকাৰদাতাসকলে জানি বা নাজানি কেতবোৰ তথ্য লুকু ৱাব পাৰে যাৰ কাৰণে গৱেষকে গুৰুত্বপূর্ণ তথ্য হেৰুৱাবলগীয়া হ'ব পাৰে।
- **যোগাযোগৰ ক্ষেত্রত অসুবিধা ঃ** অংশগ্রহণ বর্হিভূত পর্যবেক্ষণ গৱেষক আৰু সাক্ষাৎকাৰদাতা উভয়ৰ কাৰণে অসুবিধাজনক হ'ব পাৰে। কাৰণ ইয়াত দুয়োজনে দুয়োজনৰ উপস্থিতিৰ বিষয়ে অৱগত হোৱাৰ বাবে গৱেষণাই অন্য গতি ল'ব পাৰে। এই আনুষ্ঠানিকতাই স্বাভাৱিক মত বিনিময়ত বাধাৰ সৃষ্টি কৰে আৰু ফলত কেতবোৰ সাক্ষাৎকাৰদাতা বা সমূদায়ে বাহিৰা ব্যক্তিৰ (গৱেষক) উপস্থিতি সহজে গ্রহণ কৰি নলবও পাৰে। এনেধৰনৰ অসুবিধাই গৱেষকৰ বাবে প্রত্যাহ্বানৰ সৃষ্টি কৰে। ইয়াৰোপৰি গৱেষকৰ উপস্থিতি জ্ঞাত হোৱাৰ বাবে কোনো কোনোৱে নির্দিষ্ট ধৰণে আচৰণ কৰাও দেখা যায়। এক আনুষ্ঠানিক পটভূমিত সাক্ষাৎকাৰদাতাসকলে তথ্য বিপথে পৰিচালিত কৰা কার্যই সমগ্র গৱেষণাক নেতিবাচক দিশলৈ ঠেলি দিয়ে।

৯.৩.৩ অংশগ্রহণকাৰী আৰু অংশগ্রহণ বর্হিভূত পর্যবেক্ষণঃসাদৃশ্য আৰু বৈসাদৃশ্য

অংশগ্রহণকাৰী আৰু অংশগ্রহণ বর্হিভূত পর্যবেক্ষণৰ মূল পার্থক্য হৈছে প্রথমবিধত গৱেষকে নিজে সমগ্র প্রক্রিয়াত সক্রিয়ভাৱে অংশগ্রহণ কৰে আৰু সেইবাবে অভিজ্ঞতাৰ আধাৰত তেওঁ পোণপটীয়া তথ্য লাভ কৰিবলৈ সক্ষম হয়। আনহাতে অংশগ্রহণ বর্হিভূত পর্যবেক্ষণত গৱেষকজন এটা পৰিস্থিতিত স্বচক্ষে উপস্থিত থাকিলেও তেওঁ চলি থকা কার্যাৱলীত নিজে অংশগ্রহণ নকৰে। তেওঁ নিজে নিষ্ক্রিয় হৈ থাকি চৌপাশে সংঘটিত সমগ্র ঘটনাৱলী কেৱল পর্যবেক্ষণ কৰে। অ ৱশ্যে দুয়োটা পদ্ধতিতে গৱেষকে ব্যক্তিবিশেষক নিজৰ উপস্থিতিৰ বিষয়ে নজনোৱাকৈও থাকি যাব পাৰে। ইয়াত নৈতিকতাৰ কথাও সাঙোৰ খাই আছে কাৰণ বহুসময়ত গৱেষকে পর্যবেক্ষণ কৰি থকাৰ কথা ব্যক্তিবিশেষৰ সমূহক জনাবলগীয়া হয়। অংশগ্রহণকাৰী পর্যবেক্ষণৰ সুবিধা হৈছে ইয়াত গৱেষকে ক্ষেত্রৰ বিষয়ে গভীৰ জ্ঞান আয়ত্ব কৰি তথ্যৰ ভঁৰাল মজবুত কৰিব পাৰে। অংশগ্রহণকাৰী পর্যবেক্ষণত একপক্ষীয় তথ্য লাভ কৰাৰ আশংকা ৰৈ যায় আৰু বিপৰীতে অংশগ্রহণ বর্হিভূত পর্যবেক্ষণত গৱেষকে তুলনামূলকভাৱে নিৰপেক্ষ তথ্য লাভ কৰে। অংশগ্রহণকাৰী পর্যবেক্ষণত গুৰুত্বপূর্ণ তথ্যও দৈনন্দিন কার্যৰূপে চকুত নপৰাকৈ ৰৈ যাব পাৰে কিন্তু অংশগ্রহণ বর্হিভূত পর্যবেক্ষণত ক্ষেত্রৰ অধিক স্পষ্ট ছবি লাভ কৰাৰ আশা থাকে। এইধৰনৰ পর্যবেক্ষণত ক্ষেত্রৰ পৰা গৱেষক বিচ্ছিন্ন হৈ থকাৰ বাবে গৱেষকে নিৰপেক্ষ ছবি লাভ কৰে। অৱশ্যে পৰম্পৰাগত সমাজতত্ত্ববিদ আৰু সামাজিক নৃতত্ত্ববিদসকলে গুণগত গৱেষণাত অংশগ্রহণকাৰী

পর্যবেক্ষণক অধিক উচ্চ আসন দিব বিচাৰে,কাৰণ ইয়াত গৱেষকে অধ্যয়ন ক্ষেত্ৰৰ এক ক্ৰমিক তথ্য লাভ কৰে। ইয়াত গৱেষকে অধ্যয়ন কৰিবলগীয়া ব্যক্তিবিশেষৰ জীৱনৰ সৈতে একাত্ম হৈ পৰিস্থিতিৰ প্ৰকৃত জ্ঞান আহৰণ কৰে।

এক অৰ্থপূৰ্ণ গুণগত গৱেষণাত অংশগ্ৰহণকাৰী আৰু অংশগ্ৰহণ বৰ্হিভূত দুই ধৰনৰ পৰ্যবেক্ষণৰে গুৰুত্ব অপৰিসীম। কেতবোৰ সামাজিক পৰিস্থিতিত গৱেষকে কেৱল দৃশ্যপট অধ্যয়ন কৰাটো প্ৰয়োজন আৰু আন কেতবোৰ ক্ষেত্ৰত গৱেষকে সক্ৰিয়ভাৱে ঘটনাৰ সৈতে যুক্ত হোৱাৰ প্ৰয়োজন থাকে। গতিকে সময় সুবিধা বুজি গৱেষকজনে এই দুই পদ্ধতিৰ উপযুক্তভাৱে প্ৰয়োগ কৰাৰ প্ৰয়োজন আছে।



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক—

ক) পর্যবেক্ষণ হৈছে.....ৰ এনে এক পদ্ধতি য'ত তথ্য.....ৰ জৰিয়তে সংগ্ৰহ কৰা হয়।

.....

.....

খ) পর্যৱক্ষণৰ প্ৰকাৰ.....টা।

.....

.....

গ) অংশগ্ৰহণকাৰী পর্যবেক্ষণৰ সংজ্ঞা প্ৰথমবাৰ ব্যৱহাৰ কৰিছিল.....য়ে।

.....

.....

ঘ) অংশগ্ৰহণকাৰী পর্যবেক্ষণত গৱেষকজন .....ভাৱে পর্যবেক্ষণত জৰিত থাকে।

.....

.....

ঙ) অংশগ্ৰহণকাৰী পর্যবেক্ষণে ব্যক্তিবিশেষৰ .....জ্ঞান প্ৰদান কৰে।

.....

.....

চ) অংশগ্ৰহণ বৰ্হিভূত পর্যবেক্ষণত গৱেষকে ক্ষেত্ৰত সক্ৰিয়ভাৱে অংশ নলয়। সত্য নে অসত্য ?

.....

.....



৯.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- পর্যবেক্ষণে পোণপটীয়াকৈ তথ্য সংগ্রহৰ এনে এক পদ্ধতি বুজায় য'ত তথ্য পর্যবেক্ষণৰ দ্বাৰা সংগ্রহ কৰা হয়।
- পর্যবেক্ষণ সংৰচিত আৰু অসংৰচিত দুই প্রকাৰৰে হ'ব পাৰে। এক সংৰচিত পর্যবেক্ষণত পূর্ব নির্ধাৰিত সূচী আৰু নির্দিষ্ট চলক থাকে। অসংৰচিত পর্যবেক্ষণত অধ্যয়নৰ বিষয়বস্তু অথবা তথ্য আহৰণ কৰিবলগীয়া ক্ষেত্রৰ প্রতি অধিক মুক্ত দৃষ্টিভংগী গ্রহণ কৰা হয়।
- পর্যবেক্ষণে গৱেষকক কোনো পূর্ব নির্ধাৰিত ধাৰণা নথকাকৈ পৰিসীমাৰ বাহিৰত সূত্র বুজাত সহায় কৰে।
- ইয়াত একেটা সামাজিক পটভূমিত গৱেষকে একে তথ্য বাৰে বাৰে পর্যবেক্ষণ কৰি ৰেকর্ড কৰিবলগীয়া হয়।
- পর্যবেক্ষণ মূলতঃ দুই প্রকাৰৰ-অংশগ্রহণকাৰী পর্যবেক্ষণ আৰু অংশগ্রহণ বর্হিভূত পর্যবেক্ষণ।
- অংশগ্রহণকাৰী পর্যবেক্ষণত ক্ষেত্রকর্মীজনে নিজৰ সমাজৰ পৰা পৃথক এখন সমাজত স্থানীয় ভাষা ব্যৱহাৰ কৰি , স্থানীয় ৰাইজৰ উৎসৱ-পার্বন আৰু আন কার্যক্রমণিকাত অংশগ্রহণ কৰি নির্দিষ্ট এখন সমাজত বহু মাহ বা বছৰ কটাবলগীয়া হয়। এনেধৰণে আনৰ উৎসৱ-পার্বনত অংশ লৈ আৰু প্রত্যক্ষ পর্যবেক্ষণৰ সময়ত গৱেষকে যিমান পাৰে সিমান তথ্য আহৰণ কৰিবলগীয়া হয়। গৱেষণাৰ অধীনস্থ লোকসকলৰ সৈতে ভাল সম্পর্ক গঢ়ি গৱেষকে অধ্যয়ন কৰিব বিচৰা সংস্কৃতিৰ প্রতিটো দিশৰ তথ্য সংগ্রহ কৰে। এনেদৰে এক সামগ্রিক ছবি লাভ কৰি অৱশেষত গৱেষকে সংস্কৃতিৰ কার্যক্রমণিকাৰ বিষয়ে জ্ঞান অর্জন কৰে।
- অংশগ্রহণকাৰী পর্যবেক্ষণৰ অন্যতম বৈশিষ্ট্য হৈছে এয়া মুক্ত, স্বতঃসিদ্ধ ধাৰণাবিহীন। ইয়াৰ ফলত গৱেষকে আনৰ বিষয়ে ভালদৰে জনাৰ সুযোগ লাভ কৰে। নিজে সন্মুখীন হোৱা সংস্কৃতিৰ বৈচিত্র্যতাৰ বিষয়েও অৱগত হোৱাৰ সুযোগ লাভ কৰে গৱেষকে।
- এজন ভাল গৱেষক, এজন ধৈর্যশীল শ্রোতা আৰু শিকাৰু, অবাঞ্ছিত পৰিস্থিতিৰ সন্মুখীন হোৱাৰ লগতে পৰিস্থিতি বুজি আচৰণ কৰাৰ ক্ষমতা হৈছে এজন ভাল গৱেষকৰ গুণ।
- অংশগ্রহণ বর্হিভূত পর্যবেক্ষণ হৈছে গৱেষণাৰ এনে এক পদ্ধতি য'ত গৱেষকে কেৱল এজন পর্যবেক্ষকৰ ভূমিকা গ্রহণ কৰে।
- অংশগ্রহণকাৰী পর্যবেক্ষণৰ বিপৰীতে ইয়াত গৱেষকে ব্যক্তিবিশেষৰ জ্ঞানৰ আধাৰতে তেওঁলোকক অধ্যয়ন কৰে।
- এক গুণগত গৱেষণাৰ ক্ষেত্রত অংশগ্রহণকাৰী আৰু অংশগ্রহণ বর্হিভূত পর্যবেক্ষণ দুয়োটা পদ্ধতিৰ তাল মিলাই ভাল ফল আশা কৰিব পাৰি।



৯.৫ অধিক জানিবলৈ

১) Bernard, H.Russell (1994).Research methods in anthropology:qualitative and quanititative approaches (second edition).Walnut Creek,CA:AltaMira Press.

২) DeWalt,Kathleen M.& DeWalt,Billie R.(1998).Participant observations.In H.Russell Bernard (Ed),Handbook of methods in cultural anthrolpology (pp